

ISSN : 3139-5686

ASSAM MUSE

POETRY & PROSE MAGAZINE

First Year, Issue III, July 2026

Guna Maran
Editor-in-Chief

ASSAM MUSE POETRY& PROSE MAGAZINE : A collection of multilingual Poetry edited by Guna Maran and published by Sumi Gogoi & Sampriti Maran on behalf of AMP&PM.

Advisers

Dr Upen Rabha Hakacham
Anis uz Zaman
M. Kamaluddin Ahmed
Dr. Sabyasachi Mahanta
Dr. Jibon Kalita
Uday Kumar Sarma
Nirendra Nath Thakuria
Suresh Chetia
Bhushan Kalita
Dr Hirendra Kumar Bhagawati
Horen Gogoi
Punjan Boruah
Ganga Mohan Mili
Bani Kanta Gogoi
Ritamoni Gogoi
Abdul Halim
Purna Gogoi
Jyotimai Gogoi

Chief Advisers:

Dr. Dinesh Das
Rajib Borah
Arindam Borkataki
Bibekananda Choudhury

Executive Editor

Shyamolima Saikia

Joint Editors

Kishor Manjit Bora
Nava Rajan

Chief Editorial Members

Dr. Dinesh Das
Dr. Sabyasachi Mahanta
Dr. Shyamolima Saikia
Dr. Neetali Borgohain Konwar

Dr. Neeta Lagachu (Taye)
Dr. Jiban Kalita
Rajib Borah

Publicity Editors

Dilip Hazaika, Jadumoni Hazarika, Satya Sindhu Gogoi, Diganta Borgohain, Bhaskarjyoti Borgohain, Ritu Raaj, Prasanta Borgohain, Niva Borgohain, Wahid Ali, Darshana Chetia.

Associate Editors

Birinch Rabha
Dinkar Kumar (Hindi)
Gayatri Devi Borthakur (Sanskrit Poetry)
Basudev Das (Bangla Poetry)
Madhumita Mohan (Tai Poetry)
Ratneswar Basumatary (Bodo Poetry)
Dip Hasting Bori (Mising Poetry)
Dr Deben Sapcota (Nepali Poetry)
Ram Nayak (Sadri Poetry)
Nirmal Koch (Koch Rajbanshi Poetry)
Neelabhjyoti Sonowal (Sonowal Kachari Poetry)
Mrinal Kumar Dewraja(Tiwa Poetry)
Sagar Deory(Deory Poetry)
Bhadreswar Sarenga (Rabha Poetry)
Pinju Moran (Moran Poetry)
Sashi Singha (Bisnupriya Monipuri Poetry)
Ratan Kumar Ray Hajong (Hajong Poetry)
Hemachandra Kachari
Priyam Prakash Chetia

Director

Bikhswar Moran,

Managing Director

Umeswari Moran

Chief Organiser:

Akiullah Ali

Treasurer

Pranjal Gogoi, Jitu Mech, Koilash Rajbonshi

Content

English Poetry

1. Funeral Pyre - Hindul Bhattacharjee
Translation: Pradip Mondal
2.Flicker In The Gloaming - Namrata Talukdar
3.The Virtual Universe - Devendra K. Mishra
4. What's remain- Dan Mbo Kuba
5. The Shattered Sanctuary - Jimmy Lisotto
6. One Sunday Morning - Malachi Edwin Vethamaro
7. Emerson Returns to the Bhagavad Gita- Steve Wilson
8. The Unseen Warrior And A Soft Power - Nasima Yasmin
9. Art And Shadow Braja Kumar Sorkar
10. The Return- Rehanul Hoque

Assamese Poetry

1.Dr Binay Kumar Mazumdar
2.Dr Nanda Singh Borkala
3.Geetanjali Borkataky
4.Sarat Hazarika
5.Madhuri Hondique
6.Madhumita Mohan
7.Hemchandra Kachari
8.Ritanjali Das
9. Nayani Gogoi
10. Hillol Jyoti Singha
11. Anurag Saikia
12. N. D. Hillol Bhardwaj
13. Hemaprobha Borah Saikia

Bangla Poetry

Sanjiv Sethi's Poetry
Translation: Pradip Mondal

Moran Poetry

Jugya Phukan
Biswajit Moran

Nepali Poetry

Mohan Subedi

Interview

With Distinguished Poet and Scientist
Dr Bipuljyoti Saikia
By Chandan Gos

EDITORIAL

Shravana: A Season of Rain, A Season of Reckoning

This is the month of Shravana or Xaon— the monsoon in India. After an intense spell of dryness brought on by El Niño, whose influence was felt across the globe, the rains arriving in most parts of India, including the Northeastern region, come as a welcome respite.

The cycle of seasons is an inevitable and necessary part of life on this planet — for crops, for forests, for rivers, and for us. But today, the changes in our climate are bearing unprecedented signs that are affecting all living beings on Earth, and that is a cause for deep concern. Much has been said and done. Protests have been held, policies drafted, and activism carried out day after day. Yet too much of it remains on pen and paper. It often feels as if nations and people are more preoccupied with chasing wealth, influence, and power, while real environmental action is pushed to the back burner.

Instead, what we witness is a relentless plundering of natural resources. We see excessive deforestation carried out in the name of "development." We see environmental protection reduced to a buzzword — used by leaders and public figures to showcase a humane image while hiding the contradictions behind it. For many students, it has been reduced further to just another chapter to be mugged up for examinations.

Nowhere is this contradiction more visible than in our own towns. It is strange, and painful, to see the amount of litter in any town in Assam. The more environmental topics we insert into textbooks, the more cleanliness drives we organize, the uglier and dirtier our towns and cities seem to become. There is an all-pervading sense of apathy among citizens. We wait for the municipality to clean, for the government to act, for "someone else" to care.

Who, then, can be the real torchbearers of change? Perhaps it is the deeply humane individuals such as the poets, artists, writers, and teachers who can spearhead movements that shake people out of the drowsiness of self-interest and materialism. Poets as activists are not new. From Kalidasa singing of rainclouds to modern poets writing against damns and deforestation, verse has always carried protest. But it feels as if we need them now more than ever.

We need their verses to speak against the blatant destruction of nature. We need their stories to remind us that a river is not just water, but memory. We need their art to awaken the human spirit, to turn our focus from "mine" to "ours" — from personal gain to social and universal well-being.

This Shravana, as the rain washes the dust from the leaves, may it also wash something from us! That is our indifference. Let the monsoon not just be a season we endure, but a reminder we heed: that we are part of this cycle, not above it. And if textbooks and drives have failed, maybe it is time to let poems, songs, and paintings do what policy could not. To make people feel, before it is too late.

With these reflections and sense of hope, we bring to you yet another issue of the *Assam Muse Poetry & Prose Magazine*. We hope this issue of the magazine will, like its previous editions, be embraced by writers, literary connoisseurs and readers alike with the same warmth, critical engagement and continued support.

Warm regards
Dr.Shyamolima Saikia
Executive Editor

Declaration

This edition of Assam Muse Poetry & Prose Magazine is dedicated to the memory of those we lost, and to all those affected by the recent devastating floods in Upper Assam.

We offer our deepest condolences to the grieving families, our solidarity and support to those rebuilding their lives and our prayers for resilience, strength and patience for all.

Funeral Pyre
Hindol Bhattacharjee
Translated by *Pradip Mondal*

This is sepia air, arboreal mind is stripped in eventide;
Dream for green is after some unreachable power.
Somebody suggested us to make axe, the sound of axe is
heard in dark forest.
Man strikes a tree, strikes himself; habits die hard.
Are all civilizations annals of burnt and felled trees?
Tree lines recede ever—even from the countryside.
Villages get ravished by urban mercenaries?
If a child is born in the brick kiln,
Spring is destined to come, flower is destined to bloom.
I see fire everywhere, fire that burns a city to ashes.
Yonder is a burning ghat of trees;
Trees burn to build funeral pyres for men.

Flicker in the gloaming
Namrata Talukdar

Dusk till dawn it is, moving in exploration
Of uncharted skins of the shivering form.
In exploration of undying desires.
On the behest of unconditional love.
Two is equal to one, giving up to the demands of the fragile body.
Dusk till dawn, a journey so precarious.

The moment of truths, the moment of hollow fits.
Unleash and pour, don't pull behind.
Unleash your flicker in the gloaming,
Dusk till dawn, in surpassing illusions,
Whileinhaling nothing but only raw smirks.
Either you think you are the best or the worst.
Dusk till dawn, a sight concealed while one roams the slumber park.
Dusk is about to collect the fallen stars of dignity.
And dawn promises to embellish them once again.

The Virtual Universe
By Devendra K Mishra

Away from the
human gaze
secluded and desolate
in the silhouette of
the cybernated landscape
suffocating and crumbling
in the stifling loneliness
amidst the crowded
virtual realm
I left the wild, messy,
slow and scrawled
shaking handwritten words
for the immaculate words
swaggering in confidence
with their cool fonts
as if I had been
no longer in the flesh
utterly oblivious to
human flocking
disappearing in
the digital maze
of spiritless
comments and likes
feigning to be
over the moon
with a sobbing heart

Contact: dkm8445@gmail.com
Delhi NCR, India

What remains
Dan MBO Kuba

Where we lived,
With this unique perspective,
A mastery of light,
Framing the windows;

A significant heritage,
Up to independant expanding,
That makes it unique,
To reinvent a nnew life;

Trails to walk,
Under exacting eye,
For a luminous presence,
Captured in;

Some images remain,
On timeless allure,
That continues to inspire,
Where we had been;

Of surrounding area,
Within distance,
Allowing to live,
At a new city.

The Shattered Sanctuary
Jimmy Lisotto, New Hampshire

My shattered soul aches
For the feeling of safety
And sense of security
When enfolded in the arms
Of the one I love.

Their embrace a haven,
A sanctuary,
Locking out the world.
A warm shield
When the universe grew cold.

Their tender touch
Filling the cracks of the heart
Fractured by the stresses
Of a relentless life.

Without a single spoken word,
Just gazing deep into their eyes,
Their soul laid bare
Through open windows.

Those times have vanished
Into the ether.
All I have now
Is the torment of memories,
The bitter ache of loneliness,
And waking up from dreams
In an empty bed
With tears
Staining my pillow.

One Sunday Morning
Malachi Edwin Vethamani, Malaysia

My coffee tastes better this morning.
Sweetened by the bulbul
knocking on my bedroom window,
the chirping of the sparrows in garden hedge,
and the cooing of the doves,
from the neighbour's rooftop.

My garden is all abloom -
yellow and pink canna,
hibiscus, red and orange,
white and purple water lilies;
bougainvillea, orange, red and purple,
the fragrance of jasmine and gardenia
hangs in the air.

My canine companions stand beside me -
Duke's rubbing against my leg,
while I strokePrincesse's furry neck;
both await their mid-morning treats.

I breathe in deep,
savour them all -
before they fade,
into the past.

Emerson Returns to the *Bhagavad Gita*

Steve Wilson, San Marcos, TX 78666

“A believer in unity, a seer of Unity, I yet behold two.”

If I am All, then what is
        this *I*, this lurking someone?
If I am All, then what? Is
        there a sinew shapes the song,
        some ghost hope revealing
if I am All? Then what is
        this? *I*: thislurking; someone.

The Unseen Warrior And A Soft Power
Nasima Yasmin

A dream girl, once an apple of the eyes,
Grows upto a mighty warrior
With shadows of 'Jhansi ki Rani and
Kalpana's spirit
To fight the struggles and difficulties,
Blocking on her way.

Woman - not a question
But an answer to life,
Who changes every pain to power
A soul that knows to love
With no hatred, worries or tears.

A peaceful homemaker handling
All kitchen households, family issues
In industries and workplaces
Knowing the harsh truth,
Of being she in the society.

Raising her voice against the odd
And leaving her footprint as mark
In the path that she stepped in,
Gradually life moulds better
Growing each and every day as she learns,
And tries harder the next time !

Being a responsible citizen
That knows to keep calm in situations
Or even cherish a kid's heart.
Though she may be a daughter, a wife or a
mother
Carrying the entire generation in her spine
Where the dreams of her grandmother and
mother
Drapped only into saris,
But daughters dare to ask –
Why can't we think out of the box ?

Though she breaks down she stands still
She smiles not because she is weak
But the wisdom to carry through
Not to be a sheep and to follow the herd
While showing joy as an act of courage.

Not just a book is she,
But a library
Burning and rebuilding herself into a
woman
She dreamt off –
Everyday in every ways
She tries to be
That the world could ever imagine.

Art and Shadow
Braja K Sorkar

Canvas, Window, and the Passing World

For years I watched the canvas on the wall,
Unknowing of the hand that drew the grace.
Raja Ravi Varma held my soul in thrall,
With standard beauty in a homely place.
My son brought Husain’s Saraswati home;
I never paused to check her sacred birth.
I did not care if she was made of foam,
A holy goddess, or a child of earth.
Now by the open window sits my shade,
To watch the rushing world go past the door.
My true companion when the glories fade,
We watch the sky change colors evermore.

The Return
Rehanul Hoque

As the rippling blue waves beacon
To set sail for a city- showered with crimson rays
Attics wearing scarlet hats, lush green trees,
And the alleys teeming with life
There a beauty with stolen glances await
A true love, although she is no shrinking violet
When comes the question of whether she is
Committed or not!

There must be something beyond
The horizon- where the waves kiss the sky
Heavy with nimbus; it is high time came a new morning,
A new day, a new life, a silver lining-
How far is the port, when to cross the sea,
And cast anchor!

Alas, the boat remains stranded there!
And t he tide, once receded,
Never comes twice.

আধৰুৱা স্বৰ
(অগ্ৰজ কবি ৰফিকুল হোছেইনৰ স্মৃতিত)
ডঃ বিনয় কুমাৰ মজুমদাৰ

আৰু শীতত থৰ পৰা হাত সেকিবলৈ
জুই পুৱোৱাৰ কথা
পাহৰি থাকিলা চাগে!
কি কথা পাতিছিলোঁ
সিদিনা...

শাল কাঠৰ জুইৰ অঙঠা
বেলিতকৈ ৰঙা
জুইৰ টিক্ টিকিয়া ৰঙাখিনি
উজলিছে ৰঙাপানী হৈ
তোমাৰ মুখত

ঢুকি নোপোৱা তৰাক
মৰতলৈ আনো বুলি
কি কৈছিলা, কৈছিলানে?
মৰতৰ জীৱ হৈ সৰগ পাই
ইমান বাহাদুৰি...

জুইৰ পাগ লৈ লৈ
বহুপৰ একেলগে
আৰু কি কথা পাতিলোঁনো জানো!

লাহে লাহে বাঢ়িছে
ৰাতি
বিচনালৈ যাওঁ এতিয়া

ঘিট্ মিটীয়া আন্ধাৰ ভেদি
হাত লেম্পটোৰ পোহৰ
ঢিমিক-ঢামাক
কিদৰেনো কওঁ-
শোকাহত বসন্ত

বেছি পৰচোন নাই
ৰাতি পুৱাবলৈ
মনত পৰে হঠাৎ কেতিয়াবা
কিনো এই কথা-
প্ৰাচীন অপেক্ষা

সেমেকা নিয়ৰৰ মাজে মাজে
কুঁৱলী ফালি যাওঁতে
জোলোকা জোলোকে
কি সৰিছে চোৰা-
আধৰুৱা স্বৰ, নবজা বাজানা
জীৱন- ইতিহাস
বাট- বহুদূৰ
আৰু আকাশ!
এনেদৰেই হয়
শৰবিদ্ধ...

গাভিনী পথাৰৰ গাগিনী

ড০ নন্দ সিং বৰকলা

পথাৰৰ সীমাহীন বিস্তৃতিয়ে মানুহৰ
চকু ৰুইছিল দিহিঙে-দিপাঙে
ভোকৰ মহাকাব্যৰ সনাতন শেলুৰৈ
ঋতুৰ বৰণে নিচুকাই থাকিব বুলি

কাল-মহাকালৰ ভিতৰেৰে মাটি শইচৰ
অন্তঃস্রোতা জীৱনৰ পানচৈ হৈ
অমৃতময় আলিংগন কৃষকৰ পথাৰৰ
কোলাহলেৰে
চিকুনাই আছিল চোতালৰ মৰণাৰ
ব্যাকৰণ

পথাৰৰ গেৰধৰা গাভিনী মাটিৰ
বতাহৰ ৰিব্ ৰিব্ পানীত
গাগিনীৰ নাচোনৰ সুৰবাঁহীৰ সৰগৰ
উৰুলিত
পথাৰে পথাৰে জীৱনবোধৰ সনাতন
শংখ নিনাদৰ ধ্বনি-প্ৰতিধ্বনিয়ে
সাবটি আছিল খেতিয়কৰ ভাৱ
অনুষংগৰ পৃথিবীক

বতাহৰ হুৰ হুৰ শৰদৰ চেৰে চেৰে উঁই
পৰুৱা-ফেঁচাৰ সমদলে
গাগিনীৰ একঁকাল পানীৰ পথাৰৰ
পৃথিৱীৰ মহালক্ষ্মীৰ বাটত
নগৰীয়া ফুটুকা প্ৰেমৰ আধুনিক
সোণালী চুলিৰ দিনকালৰ

অবুজ মাতে নিঃসহায় কৰি আনিলে
শেলুৱৈ মাটিৰ স্বাভিমান

গাগিনীৰ চকুলোত কৃষকৰ দুখৰ ঋণে
পথাৰ নিলাম কৰে
প্ৰাচীন পথৰ অৰঙে-দৰঙে ককাৰ
খোজবোৰ মলঙি আহিছে

আধুনিক মানুহে পথাৰৰ জীৱনৰ
বাটেৰে গাঁৱক চাব নাজানিলে
কৃষকৰ বুকুৰে গাগিনীৰ উশাহক ধৰি
ৰাখিব নোৱৰাৰ বাটেৰে
বনিয়াৰ হুৰাহুৰ যাত্ৰাত পথাৰত
গজিল তাম বৰণীয়া সন্ধ্যা

গাভিনী পথাৰৰ গাগিনীৰ চকুৱে মাটিৰ
আঙুলিৰ সৈতে হেৰাল
মাটি চোৱাৰ হেঁপাহ,
মাটি হোৱাৰ নান্দনিকতা
শইচৰ গেৰৰ গাখীৰৰ কুশল বন্দনাৰ
ভোকক জ্বলাই
চিমেণ্টৰ আঙুলিবোৰ দৌৰি আহিছে
গাগিনীৰ পথাৰৰ চকুলৈ
কাকতী ফৰিঙৰ বে-সুৰা গানে শেলুৱৈ
মাটিৰ বুকু ফালি সাৰটিছে নগৰ

নিঃশব্দে নিৰৱে পথাৰখন ক্ৰমশঃ
চকুৰ পৰাই হেৰাই থাকিল
মানুহ কৃষক হৈ থাকিব নোৱাৰিলে

নগৰ এখনে মানুহৰ ভিতৰে বাহিৰে
অহৰহ নাচিছে

গাগিনীৰ চকুত পথাৰৰ ভাস্কৰ্য
গাভিনী পথাৰৰ কৃষকৰ শিলৰ
সপোনেৰে
তৰপে তৰপে ঘৰবোৰ পথাৰৰ বুকুৰে
গছতকৈ ওখ হ'ল
কৃষক, পথাৰ, পানী, প্ৰাচীন নাঙল,
মৈৰ বিশ্বাসত চকুলোৰ বিৱৰণ
মহাকাব্যৰ দৰে গহীন বুদ্ধমাতৰ
সোণালী ধানৰ বসন্ত সুদিন হেৰাল
গোলকীয় জগতখন তাতোকৈ
ভয়ানক কংস, ৰাৱণ হৈ
জী উঠিল পথাৰৰ বুকুক শেলেৰে হানি
নগৰৰ পৰিচয়ৰ ফলক

পথাৰক কবৰ দি গাগিনীৰ চকু কাঢ়ি
হৰিলে
সুবৰ্ণ জীৱনৰ পথাৰৰ মাত অচিন
মানুহে

টোপনি ৰাতিৰ বাটত পৰি আছে
খেতিয়কৰ সপোন
দিহিঙে-দিপাঙে মাথো নগৰীয়া উল্লাস

ভ্ৰাম্যভাষ – ৮৮২২৩-০৩৯০৬

ছহিদ
গীতাঞ্জলি বৰকটকী। নামৰূপ।

সমস্ত শোষকৰ বিৰুদ্ধে
গৰজি উঠা এটা কণ্ঠৰ নাম ছহিদ

তোমালোকে মোক তেজ দিয়া
মই তোমালোকক স্বাধীনতা দিমা"
বন্দী সময়ৰ শিকলি ছিঙি
সাত-সাগৰ পাৰ হৈ
বিপ্লৱৰ জোৱাৰ অনা প্ৰচণ্ড
ধুমুহাজাকেই
ছহিদ

শোষকৰ নিদ্ৰাহীনতাৰ কাৰণ
পুৰণি আৰ্কাইভত জিলিকি উঠা শব্দৰ
সমষ্টিয়ে হৈছে ছহিদ

কালে মচিব নোৱাৰে...
জনতাৰ বুকুত সদায়ে লোডিং হয়
ছহিদৰ নাম
বুৰঞ্জীৰ পাতে পাতে লিখা আছে
ছহিদৰ নাম

মোবাইলৰ স্ক্ৰ'লত বাজি উঠে
" তোমালোকে মোক তেজ দিয়া
মই তোমালোকক স্বাধীনতা দিমা"
এটা ন'টিফিকেশ্যনৰ দৰে
জনতাৰ মনত পপ-আপ হয়।

কালি সপোনত নেতাজী আহি সুধিলে-
" স্বাধীনতা বিচাৰি পালানে ?
 উত্তৰ বিচাৰি মই হাহাকাৰ কৰিলো

মোৰ দুচকুত ভাঁহি আহিল
সন্ত্ৰাসবাদীৰবোমা,
পুলিচ-মিলিটেৰীৰ বন্দুকৰ শব্দত
নে মন্ত্ৰী-বিধায়কৰ মুখৰ কথাত থাকে
স্বাধীনতা

লেপটপটো উলিয়াই
সময়ৰ হাৰ্ড-ডিস্কত
মই জাতিৰ ফলডাৰটো খুলি
'স্বাধীনতা' ফাইলটো চাৰ্চ কৰিলোঁ
স্ক্ৰীনত তেজৰঙা আখৰকেইটা
জিলিকি উঠিল--

চোলা
শৰৎ হাজৰিকা

মই মোৰ পৰা আঁতৰি আহিছোঁ
কিয় আহিছোঁ আৰু ক'লৈ আহিছোঁ?

নিজেই নিজক সুধি চাইছোঁ

য'লৈ আহিছোঁ নেদেখা হৈছোঁ নিজক
আৰু নিচিনা হৈ পৰিছোঁ নিজৰ ভিতৰৰ "মই"টোক
য'ত অন্য এখন জগতৰ "মই "এটাই মোক পিন্ধাই দিছে
তাৰ কূলহীন গছৰ চোলা

য'ত মই মোৰ জগতৰ শিপা হেৰুৱাই সুধিছোঁ
মই কোন কূলহীন জগতৰ চোলা পিন্ধিলোঁ।

আৰু এতিয়া কি পালোঁ
আগলৈ আৰু কি পাম
অথবা কি হেৰুৱাবলৈ গৈ আছোঁ

মোৰ পৰা কূলহীন হোৱা অ' "মই"
ক'ব পাৰ যদি তাৰে পৰাই ক

তই ক'ব পাৰিলে তোক পিন্ধাম
বন কেতেকী- ৰ'দৰ চোলা।

জুই
মাধুৰী সন্দিকৈ তিনিচুকীয়া

জুই একুৰা জ্বলো জ্বলোকৈ থাকে
তেলৰ খাদত প্ৰাকৃতিক ভাণ্ডাৰত
বজাৰত
বুকুত

বজাৰৰ জুইকুৰাতে হাত সেকি
শীত খেদালোঁ
এতিয়া বতৰ গৰম
বজাৰো গৰম
জেপত শীত

জুইত জাহ যোৱা ৰূপশিখা
গালে-মুখে ছাই সানি
বৰষুণ এজাক বিচাৰি ফুৰিছা

ভোকৰ জুই নুনুমায় অথচ
জুইশলা মাৰি থাকিলেও একুৰা জুই জ্বলি নুঠে
গোটাব নোৱাৰিলে
জুইৰ মাজেৰে জুই নলগাকৈ জুইলগা ইন্ধন।

যি পাঠ পঢ়াই গ'ল এই বান-বিভীষিকাই
মধুমিতা মহন

কোনে ধৰা নাই
মুঠি মাৰি
আমাৰ হাতত ।

সুবিশাল দেশজোৰা
যাৰ আছে-খ্যাতি!

সেই কনটেন্ট ক্রিয়েটৰ
অভিনেতা অভিনেত্রী,গায়ক-গায়িকা,
ক্রিকেটাৰ আৰু বিভিন্ন খেলুৱৈ,

অখিল আজমল, শৃংখল, লুৰীণজ্যোতি
কুনকী চৌধুৰী!

সুৰ বাহিনী, কলাগুৰু ফাউণ্ডেশ্বন !

অনেক মন্ত্রী বিধায়ক,
শিক্ষক -শিক্ষয়িত্রীবৃন্দ !

আত্ম সহায়ক গোট
দেশৰ বিভিন্ন দল সংগঠন !

ড্ৰাইভাৰ -হেন্দিমেন,
দেশৰ কেবিন কিউ

হোমিঅ'পেথিক আৰু বিভিন্ন চিকিৎসক
দল ।

সমবেত শোকৰ সংগী হ'বলৈ-
শিৱসাগৰ, চৰাইদেউ, যোৰহাট

গ্ল'বেল শিখ(ৰণবীৰ হুদা), (চচখণ্ড
ফাউণ্ডেশ্বন)
ফিজ্রিখ ৱালা(অলখ পাণ্ডে), আনৱাৰ খান,
হুছেইন মনচুৰী লক্ষ্মী আগৰৱাল,
অনন্যা বিৰলা ভনী !
নামেৰে ও কামেৰে চহকী তোমালোক !
সাংবাদিক ভাই -ভনীৰ
আকস্মিক চকুপানী !

মানুহ হ'বলৈ আৰু নো কি লাগে আমাক ।

দিনৰাত একাকাৰ কৰি -
পলস গুচোৱা-অসমৰ যুৱশক্তি !

সহৃদয় প্রার্থনা
হে মোৰ দেশৰ হিতাকাংক্ষী মানুহ !

বানৰ বিভীষিকাই কোনোকালে-আমাক
সোধা নাই-আমাৰ পৰিচয়।

নোসোধাকৈ থাকো
আহক
জাতি. ধৰ্ম,বৰ্ণৰ পৰিচয়!

এই মৰ্মস্পৰ্শী
বেদনাৰ নাম----চকুপানী
এই অহেতুক ভালপোৱাৰ
নাম---কৃতজ্ঞতা

হুৰ হুৰ
হেমচন্দ্ৰ কছাৰী,ধেমাজি

প্ৰথম স্তৱক -

খেল এবিধ খেলি আছোঁ আমি -
কপৌ ?
হুৰ---
ঘৰচিৰিকা?
হুৰ---
শালিকা?
হুৰ---
শিয়াল?
হুৰ---
নহয় নহয় নহয় ভুল হৈছে
শিয়ালক হুৰ হুৰ ফুৰ ফুৰ কৰি নেখেদে নহয়
আহ আহ বহ বহ বুলিহে মাতে
গতিকে আপুনি আৰু তুমি লাইনৰ পৰা বাহিৰ হৈ যাব লাগে ।

দ্বিতীয় স্তৱক-

ভিতৰে বাহিৰে শিয়ালৰ দপদপনি
বিশ্বাস ফুৰ--
প্ৰেম ফুৰ--
হাঁহিও ফুৰ ফুৰ ফুৰ-- !

ভ্ৰাম্যভাষ:- ৯৯৫৭৫৪২০৭০

বৰষুণৰ গান
(ৰীতাঞ্জলি দাস, বৰপেটা)

বৰষুণৰ গোন্ধত
আপোন পাহৰা হৈ
সোঁৱৰণীৰ পথেৰে
গৈ আছিলো.....

হঠাতে শুনিলো
হৃদয়ৰ সমস্ত শূন্যতা
বাজি উঠিছে
ভায়োলিনৰ কৰুণ সুৰত
আহ্ দুখৰো যে থাকে ইমান মাধুৰ্য !

সাগৰৰ গভীৰতাক
উপলব্ধি কৰিব নোৱৰা
অবুজ শিশুৰ দৰে
আমিওতো সাজিছিলো
হেঁপাহৰ বালিঘৰ...

কাবৌ কৰিছো
নজগাবা মোক

বৰষুণবোৰ
মৌ হৈ নিগৰি আহক
তোমাৰ ওঁঠৰ বাঁহীৰে
মোৰ বুকুৰ অৰণ্যলৈ.

ভ্ৰাম্যভাষ -8133884290

<u>আদি কবিৰ গান</u>

নয়নী গগৈ

এখন কপাহী চাদৰৰ সমান দীঘল
বাট এটাতমই ৰৈ আছোঁ
ঘোপমাৰিলোৱা এৰী খনত
এতিয়াও লাগি আছে
শেতেলীতে এৰি অহা
পুহ মাহৰ লঠঙা জাৰ

দহগজ আঁতৰত পূৱমুৱাকৈআছে
এখন হাইঠা চৰাইৰ দেশ
হেঙুল হাইতাল আকাশ,
আজলি পাতি লৈছে পথাৰখনে
ভৰি আঙুলিৰ ফাঁকেৰে
সৰকি যাব ধৰা নিঁয়ৰ সাৰ,
নাকত অহৰহ লাগি আছেহি
সূদূৰৰ
মঙলতী আইৰ শিতানত থকা
সাঁচিপতীয়া পুথিৰ তেলকলীয়া
গোন্ধ□

কোবত চৰাই এজনী উৰি আহিছে
উত্তৰ মুৱাকৈ
সম্মুখত দেখোঁ তামেৰে ধুৱা
আদিকবিৰ হেনো লেলিহান জিভা
মই যি দেখিছোঁ
তুমি হয়তুদেখা নাই
মই য’ত আছোঁ
তুমি হয়তু গৈ পোৱা নাই

মই তমসাৰ পাৰত আছোঁ,
ইয়াৰ বতাহত নাই
মোৰ আদি কুটুমৰ মঙহৰ গোন্ধ
□
চেগুনৰ কঠুৱা বনে এৰি নিদিয়া
বাট
অথচ ঘনে ঘনে চিঙো আশাৰ
কুমলীয়া আগ
আৰু মই আছো গাই তমসাচ্ছন্ন
এটি নৈশ গান–আদি কবিৰ গান□

নাজিৰা ঃ জুলাই ২০২৬
হিল্লোলজ্যোতি সিংহ

সৰু ছোৱালীজনী
বাপেকৰ বোকোচাৰ পৰা ননমাই হ'ল
যোৱা নিশা আন্ধাৰত উটি গ'ল বায়েক
ছাগলী পোৱালীটো আনিবলৈ যাওঁতে
নোহোৱা হ'ল মাক
কোনে হৰিলে তাইৰ মাত
তাইৰ দুচকুত টলমল গোটেইখন গাঁও

নাজিৰাৰ পৰা দেখি থকা নগা পাহাৰৰ সেউজীয়া টিংটো
মটিয়া হোৱা কেবাবছৰো হ'ল
নাগিনীমৰাৰ আলিবাট সদায় ধূলিয়ৰি
কয়লাৰ গাঁতত জমা হোৱা কজলা ধলে
চাঁহি-মুহি নিলে নামনিৰ নেপালীখুঁটি

দিখৌ-দৰিকা-নিমাইজানে কাহানিও নেদেখা বানত
কাৰ জিভা লক্‌লক্ কৰে

বোকা-পলসত পোত যোৱা ঘৰবোৰ
হেৰুৱাজন উভতি নাহে কোনো দিনে

ছোৱালীজনীৰ দুচকুলৈ আহিবনে টোপনি!

তেওঁ কিয় ৰান্ধিব?
অনুৰাগ শইকীয়া

তৰ্কৰ ধুমুহাত এটা ভ্ৰান্ত প্ৰশ্ন- - -
“তেওঁ কিয় ৰান্ধিব? ৰান্ধিব লাগিব পুৰুষে।”
কিন্তু সমতা মানে জানো মাথোঁ ভূমিকাৰ সালসলনি?
নে পুৰণি শিকলিডালক নতুন হাতেৰে ধৰাৰ নাম প্ৰগতি?
অমৰ্ত্য সেনে সোঁৱৰাই দিছে সেই চৰম সত্য- - -
স্বাধীনতা মানে ফলাফল নহয়, স্বাধীনতা হ’ল ‘পছন্দ’ৰ সামৰ্থ্য।
মহিলাৰ হাতত হেতা-চামুচ মানেই সেয়া নহয় দাসত্ব,
আৰু পুৰুষে ৰান্ধিলেই সি নহয় আধুনিকতাৰ কোনো কৃতিত্ব।
আচল সমতা হ’ল- এক নিৰৱ আৰু মৌলিক মুক্তি,
য’ত পাকঘৰ কাৰো বাবে নহয় এক 'Default' বৃত্তি।
য’ত বাচনিৰ বাবে নালাগে কোনো অজুহাত বা নৈতিক বিচাৰ,
য’ত স্বাধীনতা মানেই হ’ল- - নিজৰ জীৱনৰ ওপৰত নিজৰ অধিকাৰ।

অনন্ত শয্যাৰ বাটতো

এন ডি হিল্লোল ভৰদ্বাজ

যি বাটেৰে জীৱনে অন্তিম শয়নলৈ বাট পোনায়,

চিনাকি হোৱা উচিত সেই পথৰে,

বৰষুণৰ পিছত বোকাবোৰে কৈছে

সেই বাটটোৰে অহাৰ পূৰ্বে

গ্ৰহণ কৰা উচিত

জীৱনৰ দুৰ্বাৰ প্ৰত্যাহ্বান;

কালী মাৰ আশীষেৰে

চপৰা মাটি হ'ম

উপসংহাৰত বাট বুলিম এই পথেৰে,

আজি যি উল্লাসস্থলী,

শব্দৰ স্তবক
হেমপ্ৰভা বৰা শইকীয়া

(১)
কলিজাত ঘা
  দুখে বুকু ভঙাতকৈ
    পাহৰি যোৱাই ভাল
          বহু কথা।

(২)
তুমি দিয়া এবাটি
   সুখ
পি খালো
    ৰাতিৰ তৰা বচা আকাশত
 মোৰ সেউজীয়া সপোন।

(৩)
শব্দৰ দম
    লিখিব নোৱাৰো
     আকাশত মেঘ
       বৰষুন নাই;
  অথচ
   চকু মুদি যাব পাৰো
         তোমাৰ হৃদয়লৈ

সঞ্জীবশেঠি- রতিনটি কবিতা

(ভাষান্তর: প্রদীপ **মন্ডল)**

শিষ্টাচার

যখনশব্দরা
দুই ভাষ্যেঅঙ্কনকরে
সমভাবেররঙ্গোলি,
অন্যসমস্তকিছু
কপল্পনাররঙেরাঙিয়ে
আমিনিয়েআসি
কবিতারউঠোনে□

একজ্যোতিচিহ্নথেকে যায়সবসময়
লেখারজন্যযাঅদৃশ্যঅনুঘটক□
কোথাথেকেউড়েআসে
একঝাঁকশব্দপাখি□
তাদের তরঙ্গআমায়
হতবাককরেপ্রতিকবিতারচনায়,
আমিলিখতেথাকি□

*কবিতাটিলেখকেরঅষ্টমকাব্যগ্রন্থ*Legato Without a Lisp* (Classix, ২০২৪) থেকেনেওয়া“Ceremony”কবিতারঅনুবাদ□

হেপীটোৱে কথা কব পআ হেতি
যোগ্য ফুকন

হেপীটোৱে কথা কব পৰা হেতি
কলে হেতি
বায়িদিগি যাং বৈ ,
প্লাষ্টিক' বেগটি লৈকিনে বজাঅপা দঅব দিয়া শাক পাত অনাত থাকি
ঢেকীয়া মেজেঙা মেমেধু টিকনী বওৱা বুটলোংগে
খাইকিনে গাত বিচুতি বল পাবি

কলপাতখিলাইও কথা কব পআ হেতি
কলে হেতি
লাগিলে মোকেই কাটি আন
তৌহে প্লাষ্টিক কাঁহীত শাক ভাত নেখাবি
তাতথাকি মো ওপতেই গঅম শাক ভাত থৈ চোবাবি চু চোবাবি

লোহ' চওটোৱেও কথা কব পআহেতি কলেহেতি
দামী দামী কুকাৰত
ষ্টেইলেচ ষ্টীল বুলে না কিতু
এলুমিনিয়াম বুলে না ট্ৰিপ্লাই বোলে
সেগোটাত খোৱাত থাকি
মোকে লবি
সিজাবি খাবি
তৌহে হেনকাভোনত সিজোৱা নেখাবি চু নেখাবি

টকৌপাত' ঘ টিও কথা কব পআহেতি
কলেহেতি
মোকেই লবি ঘ ছাল বনাংতে
তৌহে তিং নলবি
আৰ চি চি ঘত এ চি নলবি
মই থাকিলে খা চে চা পাবি
কম দিন গলেও শান্তি পাবি, শান্তি।

দঅ'পেই দঅ'ব

বিশ্বজিত মৰাণ

মামৰণী, ডিগবৈ ।

দঅব
দঅব পৃথৰিখন
এ-খান্দি বিলগ হ'ল ,
আঘে নো আমিভোনে
জ উঠিলে,
কাঁ ধয়িলে
ঘোঁঙ্গা লাগিলে
খহু দঅব খাইছিলোং
।

এ-খান্দিনো আমি
খহু জ হ'লে
বঙালী কলা
তিয়ঁ খোআ নিষেধ
জ বায়িব বোলে।

মোআ ঘুঁআলে,
মোআ ফুআলে
বিলঙনি
কোবোৰাইছিলোং
মোঅ মন্ত্ৰএ।

খহু নুশুকালে
কুকু,মেকুয়িক
চেলেকুৰাই দিছিলোং।
তাঁএ খুচিলে
মিঠাতেল দি পিনি
তেল মায়িছিলোং।
আওঁহতীয়া ঠাইত
শূল সোমালে
শূল ওলোআ
দঅব বান্ধিছিলোং।

আম্ ভোন খয়িচাঙত
আম্ লতা,
চাম্ লতা,
শিয়াঁলনেজীয়া,
কেটেলা ভোঁ,
কাছ্ পিত
দুল বন
ঝালুক
আউ যে,,,,
কি কি নেথাকে,,,,?
আম যে বায়িত
মআন এন্দা,
দুমুনি চোৰাট,
বুআ-বুয়ি বন ঝা
পু তাঅতি বন ঝা
সেনেকে পিনি আউ
যে,,,,
কিমান,,,দঅব্ বন গছ
আছে,,,?
আম মানুহে
ঘাঁই বেমাটোঅ
দঅবো জানে;
আমি ক তাক
এন্দুয়িআ বোলোং।
দআলে আমি
আয়িঁ তোলোং
নঙলা মুখত
তিনি-দুবতীয়াত।

আজিনা হ'লে
ঢেকী গাঁ হালিত
কাঁহ বাতিত জোখোং
হ'লে আজিনা
বাতিটোমান হ'
নহয় আজিনা গুচি
যা/ময়ি থাক বুলুপিনি!
হে ষাও ক তিনি বা।

আজি ক
যুক বেলা খুলা সলনি
বদুলি হ'ল
হে ভোন দঅব
নেখায় লআখনে
ডাগ্দ ওলালে নহয় !
কিবাহেনো বিজ্ঞানৰ
যুক
সময়ো নাই, পাবলৌ
নাই ;
আমিভোনে
থাকুংমানে
পালে খাম
আৰো নেপালে ষা ,,
সোৰঁয়িএ থাকিব
লাগিব আৰ্।

हतार हतारमा
मोहनसुवेदी, तेजपुर (असम)

लामो अपेक्षा पछि एउटा अटव्य गुफाबाट
म निस्किएँ सुकेको माटोमाथि पाइलाहरू टेकेर
दगुर्दै अघि बढ्यो मेरो सीमाहीन यात्राको पथ
हतार हतारमा समयको काँडे तगारो नाघेर

हतारमा फक्रियो मेरो शैशवकालको फूल
किशोरावस्थाका अव्यवस्थित अस्पष्ट कालचक्र
समुद्र जसरी फैलिएको यौवनका उत्ताउला रहर
हतार हतारमा पार भएर आएँ दुः खको लामो
नदी
हतारमा शुरू भयो पृथिवीको नयाँ सडक
भय, सङ्कोच, आर्तनाद, दायित्व, निर्वाहको
घेरोमा
कसरी अल्झिदै गयो समग्र सरल निर्जनता
हतारले बगाउँदै लग्योउन्माद फागुनको
लहरसित
कसरी भन्नु कि मैले हिँड्न चाहेको होइन यो
बाटो
हतारले पुगेँ उकालो तरेपछिको घुमाउरोनेर
जसले मलाई घचेट्दै लग्यो बालुवाको बगरमा
हतारमा उडाइदियो आँखामा टाँसेका रङ्गीन
चित्रहरू
अँगालोमा बाँधिएका सम्पूर्ण परिकल्पनाहरू
मरिमरि बोकेको काँधमाथि लक्ष्यसम्म पुर्याउन
सतीका अङ्गहरू जसरी अनायास झर्दै गए
चारैतिर
हतारमा बितेर गए जीवनका अनगन्ति
आइतवारहरू
अचेल टुक्रिएका समयका छेस्काहरू बटुलेर
अभिशप्त इतिहासको भित्तामा टाँगिएको
तस्वीरतिर
हेरिरहेको छुटुलुटुलु आफ्नै निस्तेज आँखाले
हतारमा मेरो अनुहारभरि कोरिए कालाधर्साहरू
महाभारतको भूगोलभित्र कक्रिएको द्रौपदीको
आर्तनाद
बजारको भयङ्कर भूकम्पले सन्त्रस्त गङ्गाराम
विस्मात रविश्वासको केही हतार छैन मलाई
किनकी अब हतारमा जन्मिने छन्घाम रजूनहरू

বিশিষ্ট কবি, বিজ্ঞানী ড০ বিপুলজ্যোতি শইকীয়াৰ সৈতে অন্তৰংগ আলাপ।
সাক্ষাৎকাৰ গ্ৰহণ: চন্দন গোস্বামী

বিপুলজ্যোতি শইকীয়াৰ চমু পৰিচয়:

অসমীয়া কাব্য আৰু সাহিত্য জগতৰ এক বিশিষ্ট আৰু ব্যতিক্ৰমী নাম হৈছে ড০ বিপুলজ্যোতি শইকীয়া। তেওঁ একেধাৰে এজন আগশাৰীৰ কবি, প্লাজমা পদাৰ্থ বিজ্ঞানী (Plasma Physicist), অনুবাদক আৰু জনপ্ৰিয় বিজ্ঞান তথা গণিত লেখক। বিজ্ঞানৰ যুক্তিবাদ আৰু কবিতাৰ আৱেগ—এই দুই বিপৰীতধৰ্মী দিশৰ এক সুন্দৰ সমন্বয় তেওঁৰ সৃষ্টিৰাজিত দেখা পোৱা যায়।

কবি
১৯৮০-ৰ দশকৰ শেষৰ ফালৰ পৰা অসমীয়া আধুনিক কবিতাৰ ক্ষেত্ৰখনত তেওঁ আত্মপ্ৰকাশ কৰে। তেওঁৰ কবিতাত এক গভীৰ দৰ্শন, জীৱনৰ কাৰুণ্য আদি দেখা যায়। তেওঁৰ প্ৰকাশিত প্ৰধান কবিতা পুথি দুখন হৈছে:
মহাকাব্যৰ প্ৰথম পাত (১৯৮৯): এইখনেই তেওঁৰ প্ৰথম প্ৰকাশিত কবিতা সংকলন, যিয়ে তেওঁক এগৰাকী শক্তিশালী কবি হিচাপে প্ৰতিষ্ঠা কৰে।
পাহৰণিৰ নৈ (১৯৯৭): তেওঁৰ দ্বিতীয়খন উল্লেখনীয় কাব্য সংকলন।

অনুবাদ সাহিত্য
বিশ্ব সাহিত্যক অসমীয়া ভাষাৰ মাধ্যমৰে স্থানীয় পাঠকৰ কাষ চপাই নিয়াত ড০ শইকীয়াৰ বিশেষ ভূমিকা আছে। তেওঁ বিশেষকৈ জাপানী সাহিত্য আৰু কবিতাৰ সুন্দৰ অনুবাদ কৰিছে৷
জাপানী মৃত্যুকবিতা (২০০৮)।

বিজ্ঞান আৰু গণিতমূলক সাহিত্য:
এজন বিজ্ঞানী হিচাপে বিজ্ঞান আৰু গণিতৰ জটিল সূত্ৰসমূহক সাধাৰণ মানুহৰ বাবে সহজ-সৰল আৰু আকৰ্ষণীয় ৰূপত উপস্থাপন কৰাত তেওঁ সিদ্ধহস্ত।
সোণালী সংখ্যা (১৯৯৮): গণিত আৰু সংখ্যাতত্ত্বৰ ওপৰত আধাৰিত তেওঁৰ এই অনন্য গ্ৰন্থখনে ২০০০ চনত অসম সাহিত্য সভাৰ বিখ্যাত 'অনিল কুমাৰ শৰ্মা সোঁৱৰণী বঁটা' (শ্ৰেষ্ঠ জনপ্ৰিয় বিজ্ঞান পুথি) লাভ কৰে।
ৰামানুজন (১৯৯৭): মহান ভাৰতীয় গণিতজ্ঞ শ্ৰীনিবাস ৰামানুজনৰ এক চমু জীৱনী।

ইয়াৰ উপৰিও তেওঁ নেচনেল বুক ট্ৰাষ্টৰ (NBT) হৈ কেইবাখনো বিজ্ঞান আৰু প্ৰযুক্তিভিত্তিক গ্ৰন্থ (যেনে: বিস্ময়কৰ চিপ, আভাসী বাস্তৱৰ মায়াময় জগত) অসমীয়ালৈ অনুবাদ কৰিছে।

সংক্ষিপ্ত পৰিচিতি:

১৯৬৪ চনত শোণিতপুৰৰ জামুগুৰিহাটেদি শিক্ষাৰম্ভ কৰা ড০ শইকীয়াই কটন কলেজৰ পৰা পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পিএইচ.ডি ডিগ্ৰী লাভ কৰে। পৰৱৰ্তী সময়ত তেওঁ জাপানৰ কিয়ুশ্বু বিশ্ববিদ্যালয়ৰ পৰা পোষ্ট-ডক্টৰেল গৱেষণাও সম্পূৰ্ণ কৰে আৰু গুৱাহাটীৰ 'চেণ্টাৰ অৱ প্লাজমা ফিজিক্স'ৰ সৈতে দীৰ্ঘদিন জড়িত হৈ থাকে।

প্ৰশ্ন : শোণিতপুৰ জিলাৰ চতিয়াৰ পাঠেককুৰিত গাঁৱত আপোনাৰ জন্ম। ওপজা ঠাইৰ প্ৰাকৃতিক বৈভৱ আৰু ঐতিহ্যৰ কথাই আপোনাৰ মনৰ জগতক কিদৰে প্ৰভাৱিত কৰিছে ?

মোৰ ওপজা গাঁওখনৰ নাম পাঠেককুৰি আৰু ডাঙৰ-দীঘল হোৱা গাঁওখনৰ নাম কুসুমতোলা [দুয়োখনৰ মাজৰ দূৰত্ব তিনি কিলোমিটাৰমান]। দুয়োখন গাঁও বৃহত্তৰ চতিয়া-জামুগুৰিহাট অঞ্চলৰ অন্তৰ্গত। এই দুয়োখন গাঁৱৰ সেই সময়ৰ প্ৰাকৃতিক পৰিৱেশ আৰু সামাজিক-সাংস্কৃতিক জীৱনে মোৰ ওপৰত বিভিন্ন ধৰণে প্ৰভাৱ পেলাইছে৷ তদুপৰি, এই অঞ্চলটো ভিন্ন ভাষা-ভাষী, ভিন্ন জনগোষ্ঠী আৰু ভিন্ন ধৰ্মৰ বাসভূমি–সেয়ে এনে এখন বৈচিত্ৰ্যপূৰ্ণ ঠাইত শৈশৱ আৰু কৈশোৰকাল পাৰ কৰাৰ বাবে জাতি-ধৰ্ম-ভাষা-বৰ্ণ সম্পৰ্কে ঠাইখনে মোৰ মনটো সৰুৰেপৰা মুকলিমূৰীয়া কৰি ৰাখিলে৷ বিহুৰপৰা ভাওনালৈকে, পালাৰপৰা ভাইফোটালৈকে বিভিন্ন সামাজিক-সাংস্কৃতিক উৎসৱ-পাৰ্বণৰ সৈতেও সৰুৰেপৰা আমাৰ জীৱন সম্পৃক্ত আছিল৷ এইবোৰৰ ইতিবাচক প্ৰভাব মোৰ জীৱনত পৰিছে৷

প্ৰশ্ন : আপোনাৰ মা-দেউতাৰ জীৱনে আপোনাক গঢ় দিয়াত কিদৰে সহায় কৰিছিল? এই সম্পৰ্কীয় স্মৰণীয় কথা৷

মোৰ মা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী আছিল আৰু দেউতা স্থানীয় কলেজখনৰ কেৰাণী আছিল৷ গতিকে সৰুৰেপৰা আমাৰ ঘৰখনত এটা শিক্ষাসদী পৰিৱেশ পাইছিলোঁ৷ পঢ়া-শুনাৰ প্ৰতি আগ্ৰহ এই পৰিৱেশেই, অৰ্থাৎ মোৰ মা-দেউতাই, গাইড দিছিল বুলি ক'ব পাৰি৷ তেওঁলোক দুয়োজনে এই আগ্ৰহক প্ৰশ্ৰয় দিছিল, কিতাপ-পত্ৰ আনি দিছিল৷ দেউতাই কাম কৰা কলেজখনৰ [ত্যাগবীৰ হেম বৰুৱা কলেজ, জামুগুৰিহাট] পুথিভঁড়ালটো মোৰ

বাবে সদায় মুকলি আছিল–সেই পুথিভঁড়ালৰপৰা আনি কিতাপ পঢ়াৰ দিনকেইটা আছিল মোৰ জীৱনৰ আটাইতকৈ স্মৰণীয় আৰু আনন্দময় দিন।

প্ৰশ্ন : "মহাকাব্যৰ প্ৰথম পাত"ৰ [১৯৮৯] পৰা "মেঘ" [২০২৪] লৈকে প্ৰায় চাৰিদশক সময়ৰ কাব্যিক পৰিক্ৰমাৰ আপোনাৰ সচেতন পৰ্বান্তৰৰ সবিশেষ জনাব নেকি?

সচেতন পৰ্বান্তৰৰ কথাটো পঢ়ুৱৈ নাইবা আলোচকসকলেহে জানিব। প্ৰথম কবিতা লিখাৰেপৰা এতিয়ালৈকে চাৰিটা দশক পাৰ হৈ গৈছে যদিও মোৰ কবিতাৰ সংখ্যা তেনেই তাকৰ–তাৰো সৰহভাগ সেই আশী আৰু নব্বৈৰ দশকত ছাত্ৰ হৈ থকা অৱস্থাতে লিখা। মোৰ কবিতা-চৰ্চাৰ কোনো ধাৰাবাহিকতা নাই, দীৰ্ঘ সময় কবিতাৰপৰা বিচ্ছিন্ন হৈয়ো থাকোঁ, আৰু সেই সম্পৰ্কে বৰ চিন্তা-চৰ্চাও নকৰোঁ। কবিতাৰ চৰ্চা মোৰ জীৱন-যাপনৰ কেন্দ্ৰবিন্দু হ'বগৈ নোৱাৰিলে–মই পৰিধিত থাকিয়ে যি পাৰোঁ লিখা-মেলা কৰি আছোঁ আৰু। যোৱা পাঁচ বছৰমান কবিতা লিখাই নাই।

প্ৰশ্ন : কবিতা লিখাটো ব্যক্তিগত উৎসাহ নে ইয়াৰ সৈতে আন সামাজিক উৎসৰো অনুপ্ৰেৰণা জড়িত থাকে ?

প্ৰথম কাৰবাৰটো নিঃসন্দেহে ব্যক্তিগত উৎসাহ। কিন্তু যিহেতু মই সমাজৰো অংশ, গতিকে সামাজিক অনুপ্ৰেৰণাও ইয়াৰ সৈতে জড়িত হৈ পৰে। কবিতাৰ বিষয়বস্তুলৈ যদি যাওঁ, তেন্তে সেয়া আমাৰ অন্ত:জীৱন আৰু বহি:জীৱন দুয়োটা উৎসৰপৰাই আহে। সকলোৰে ক্ষেত্ৰতে এই কথা খাটে।

প্ৰশ্ন : কবিতাৰ পাঠক কমি আহিছে। কবিৰ সংখ্যা বাঢ়িছে। ইয়াৰ কাৰণ কি ?

দুটা বস্তুৰ বঢ়া-টুটাৰ 'কাৰণ' থাকিবলৈ হ'লে বস্তু দুটাৰ মাজত কিবা এটা সম্পৰ্ক থাকিব লাগিব। কবিতাৰ পাঠক কমা আৰু কবিৰ সংখ্যা বঢ়া–এই দুটা 'বস্তু'ৰ মাজত কিবা সম্পৰ্ক আছে বুলি মই নাভাবো। কবিতাৰ পাঠক কমি আহিছে বুলি মই একেবাৰেই নাভাবো। কবিতাৰ পাঠক–ৰসজ্ঞ পাঠক–সদায়েই তেনেই কম–এইটো ইমান চিন্তাৰ বিষয় বুলি মই নাভাবো। কবিৰ সংখ্যা বাঢ়িছে কাৰণ কবিতা প্ৰকাশৰ মাধ্যমবোৰ বাঢ়িছে আৰু সেইবোৰ সহজলভ্য হৈ পৰিছে। এইটো এক প্ৰকাৰে ভাল কথাই। কিন্তু মই ভাবো যে এনে হোৱাৰ ফলত বহু ভাল কবিতা ৰসজ্ঞ পাঠকৰ দৃষ্টিগোচৰত পৰা নাই।এইটোহে আচল সমস্যা।

প্ৰশ্ন : অসমীয়া/ভাৰতীয়/বিদেশী ভাষাত আপোনাৰ প্ৰিয় কবি কোন ? সমসাময়িক কাৰ কবিতা আপুনি পঢ়ি ভাল পাইছে ?

মোৰ সাহিত্যৰ পঢ়া-শুনা বৰ সীমিত–সেই স্কুলীয়া-কলেজীয়া দিনত পঢ়া খিনিয়েই বুলি ক'ব পাৰি। কবিতাও বৰ বিশেষ পঢ়িছোঁ বুলি দাবী কৰিব নোৱাৰোঁ। বিজ্ঞান বা গণিতৰ যিমান কিতাপ পঢ়িছোঁ বুলি দাবী কৰিব পাৰোঁ, কবিতাৰ সিমান কিতাপ পঢ়িছোঁ বুলি ক'ব নোৱাৰোঁ। প্ৰিয় কবিৰ নাম লোৱাটোও বৰ টান কাম। সমসাময়িক কবিসকলৰো সকলো কবিতাই যে ভাল লাগে, সেইটোও ক'ব নোৱাৰোঁ। কিন্তু তাৰ মাজতে কোনোবাটো কবিতাই মন-প্ৰাণ ছুই যায়। এনে অভিজ্ঞতা হৈছে।

প্ৰশ্ন: কবি কাৰ প্ৰতি দায়বদ্ধ হোৱাটো উচিত বুলি ভাবে ? কবিতাৰ ভবিষ্যৎ কি ?

নিজৰ প্ৰতি, আৰু ভাষাৰ প্ৰতি। কবিতাত ভাষাই প্ৰাথমিক–এই কথাটো বহুতে পাহৰি যায়।

প্ৰশ্ন : নাট্যশিল্পৰ প্ৰতি আপোনাৰ অনুৰাগ কি দৰে হ'ল ?

চতিয়া-জামুগুৰিহাট অঞ্চলটো তাহানিৰেপৰা ভাওনা আৰু নাটকৰ বাবে বিখ্যাত ঠাই। আমি সেই পৰিবেশতে ডাঙৰ হৈছিলোঁ। সেই তেতিয়াৰেপৰা নাট্যশিল্পৰ প্ৰতি মোৰ অনুৰাগ এটা থাকি গ'ল। সৰুতে অভিনয় কৰিছিলোঁ আৰু স্কুলীয়া দিনত নাটকো লিখিছিলোঁ। স্কুল সপ্তাহত তাৰ অভিনয়ো হৈছিল। অৱশ্যে পিছলৈ পঢ়া-শুনাৰ ব্যস্ততাই তাৰপৰা আঁতৰাই আনিলে। গুৱাহাটীলৈ পঢ়িবলৈ আহি যেতিয়াই সুবিধা পাইছোঁ তেতিয়াই নাটক চাইছোঁ। এই সূত্ৰেই বিভিন্ন নাট্যগোষ্ঠী আৰু নাট্যকাৰ-অভিনেতা-অভিনেত্ৰী-পৰিচালকৰ সৈতে একোটা সম্পৰ্ক গঢ়ি উঠিল। গুৱাহাটীৰ 'সূৰ্য্য' নামৰ নাট্যগোষ্ঠীটোৰ সৈতে মোৰ যোগসূত্ৰ ঘটিল। শেহতীয়াকৈ বাংলা গল্পকাৰ শীৰ্ষেন্দু মুখোপাধ্যায়ৰ কেইটিমান গল্পৰ মই নাট্যৰূপ দিছোঁ। দুখনমান নাটক অনুবাদো কৰিছোঁ। দুই-এখনৰ অভিনয়ো হৈছে।

প্ৰশ্নঃ জাপানী মৃত্যুকবিতা আৰু আপোনাৰ অনুবাদ কৰ্মৰ অভিজ্ঞতাৰ কথা জনাব নেকি ?

জাপানী কবিতাৰে সৈতে নৱকান্ত-নীলমণিয়ে আমাক চিনাকি কৰাই দিছিল। পঢ়া-শুনা কৰিবলৈ জাপানত দুটা বছৰ থাকিবলগীয়া হোৱাত জাপানী কবিতাৰ সৈতে পৰিচয়টো অলপ গভীৰ হ'ল। সেই সূত্ৰেই 'জাপানী মৃত্যুকবিতা' আৰু শেহতীয়াকৈ 'পুৰণি পুখুৰী' নামেৰে মাৎছুঅ' বাশ্ব'ৰ কবিতা অনুবাদ কৰা হ'ল।

জাপানী ভাষাটোও আধাখনীয়াকৈ শিকা হৈছিল, জাপানী জীৱন আৰু সংস্কৃতিকো ওচৰৰপৰা পোৱাৰ সৌভাগ্য হৈছিল। এই অভিজ্ঞতাবোৰে কবিতাবোৰৰ অনুবাদত মোক সহায় কৰিছে বুলি ভাবো।

প্ৰশ্নঃ আপুনি এজন বিজ্ঞানী। বিজ্ঞানী কবিজনৰ মানৱ জীৱনৰ গভীৰ ৰহস্য সম্পৰ্কে আপোনাৰ দৃষ্টি তথা দাৰ্শনিকবোধ কেনে ধৰণৰ ?

এইবোৰ চাগে কম-বেছি পৰিমাণে মোৰ কবিতা বা অন্যান্য লিখা-মেলাৰ মাজেৰেই কিবা ধৰণে প্ৰকাশ পাইছো। গোটেই জীৱনটো পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ হৈ থকাৰ কাৰণে মোৰ 'মাপক'বোৰ একেবাৰে কোৱাৰ্কৰ পৰ্য্যায়ৰপৰা মহাবিশ্বৰ পৰিধিলৈকে বিস্তৃত। এই 'মাপক'বোৰে মোৰ দৃষ্টিকোণক কিবা এটা মাত্ৰা দিছো। মাজতে দিগন্ত ওজাই মোৰ কিছুমান কবিতাক লৈ 'গণিতৰ কবিতা, কবিতাৰ গণিত' নামৰ এটা লেখা লিখিছিল। তেওঁ কিছুমান কথা পৰ্য্যবেক্ষণ কৰিছো। বিজ্ঞানে মোক সঁচা যুক্তিৰ কাষলৈ আৰু কবিতাই সঁচা আবেগৰ কাষলৈ টানি থাকে–এই আকৰ্ষণ-বিকৰ্ষণৰ ঘটনাটো মোৰ ভাল লাগে; যেতিয়া মোৰ 'মাপক'বোৰেৰে এই ঘটনাটোলৈ চাওঁ, তেতিয়া দেখোঁ যে দুয়োটাৰ মাজত বিশেষ একো পাৰ্থক্য নাই; দুয়োটাই সমানে সঁচা।